# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 13-09 -2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***
**------------------**

দুদিনীয়া অসম ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কিছুসময় পাছতে গুৱাহাটীত উপস্থিত হ'ব। শ্ৰীমোদীয়ে খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানতে তেওঁ ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা ড° ভূপেন হাজৰিকা স্মাৰক ১০০ টকীয়া মুদ্ৰা মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানতে অসম চৰকাৰৰ তত্ত্বাৱধানত সংকলন কৰা ড° ভূপেন হাজৰিকাৰ বহুভাষিক জীৱনী গ্ৰন্থখনো উন্মোচন কৰিব। প্ৰধানমন্ত্ৰীৰ সন্মানাৰ্থে প্ৰায় এহেজাৰ ২০০গৰাকী শিল্পীয়ে খানাপাৰাৰ খেলপথাৰত ভূপেন হাজৰিকাৰ ১৪টা বচা বচা গান আৰু কবিতা একেলগে পৰিৱেশন কৰিব। প্ৰধানমন্ত্ৰীৰ আগমনৰ পূৰ্বে হঠাৎ অহা প্ৰৱল বৰষুণৰ পৰিপ্ৰেক্ষিতত বৰঝাৰ বিমানবন্দৰৰ পৰা খানাপাৰাৰ খেলপথাৰলৈ তেওঁৰ যাত্ৰাপথ কিছু সালসলনি হোৱাৰ সম্ভাৱনা আছে।

প্ৰধানমন্ত্ৰীয়ে আজি নিশাটো কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত কটাব। এই ভ্ৰমণকালত অসমৰ ১৮ হাজাৰ ৫৩০ কোটি টকা ব্যয়সাপেক্ষে বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

তেওঁ কাইলৈ মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া দৰং চিকিৎসা মহাবিদ্যালয়, এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে ভাৰ্চুৱেল পদ্ধতিৰে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰীগৰাকী গোলাঘাট জিলাৰ নুমলীগড়লৈ যাব আৰু নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে শোধনাগাৰটোৰ নতুন পলিপ্ৰপিলিন গোটটোৰো আধাৰশিলা স্থাপন কৰিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মিজোৰামৰ ৰাজধানী আইজলত ৯হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে বহুকেইটা উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ইয়াৰ ভিতৰত ৰে'লৰে, পথ, ঘাইপথ, শক্তি আৰু ক্ৰীড়াকে ধৰি বিভিন্ন ক্ষেত্ৰৰ প্ৰকল্প আছে। প্ৰধানমন্ত্ৰী মোদীয়ে নৱ নিৰ্মিত **বেইৰবী-চাইৰাং** ৰে'লপথ উদ্বোধন কৰি আইজলক ভাৰতীয় ৰে'লৰেৰ সৈতে আনুষ্ঠানিকভাৱে সংযোগ কৰে। তেওঁ ৮ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা **বেইৰবী-চাইৰাং** নতুন ৰে'লপথত তিনিখন নতুন ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰে। চাইৰাং-দিল্লীৰ মাজত সাপ্তাহিক ৰাজধানী এক্সপ্ৰেছ, চাইৰাং-গুৱাহাটীৰ মাজত দৈনিক

এক্সপ্ৰেছ আৰু চাইৰাং—ক'লকাতাৰ মাজত ত্ৰিসাপ্তাহিক এক্সপ্ৰেছ ৰে'লগাড়ীয়ে দেশৰ অন্যান্য অংশৰ সৈতে মিজোৰামৰ যোগাযোগৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিব।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি শ্ৰী মোদীয়ে কয় যে আজিৰ দিনটো সমগ্ৰ দেশৰ বাবে বিশেষকৈ মিজোৰামৰ জনসাধাৰণৰ বাবে এটা ঐতিহাসিক দিন। তেওঁ কয় যে ৰাজধানী এক্সপ্ৰেছৰ জৰিয়তে চাইৰাং প্ৰথমবাৰৰ বাবে দিল্লীৰ সৈতে পোনপটীয়াকৈ সংযোজিত হ'ব। এতিয়াৰে পৰা মিজোৰামৰ কৃষক আৰু ব্যৱসায়ীসকল দেশৰ বিভিন্ন বজাৰৰ সৈতে সংযুক্ত হ'ব। ইয়াৰ ফলত বিভিন্ন ক্ষেত্ৰত নিয়োগৰ সুযোগ সৃষ্টি হ'ব বুলিও প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে ভাৰত বৰ্তমান বিশ্বৰ আটাইতকৈ খৰটকীয়া বিকশিত অৰ্থনীতি আৰু উত্তৰ-পূৰ্বাঞ্চল সম্প্ৰতি দেশৰ বিকাশৰ ইঞ্জিন হিচাপে চিহ্নিত হৈছে। মিজোৰামে এক্ট ইষ্ট পলিচি আৰু অভিলাসী উত্তৰ-পূব ক'ৰিড'ৰৰ ক্ষেত্ৰত অন্যতম প্ৰধান ভূমিকা গ্ৰহণ কৰিব বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে জি এছ টি সংস্কাৰেৰে চৰকাৰে জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰাৰ লগতে ব্যৱসায় সহজ কৰি তোলাৰ বাবে কাম কৰিছে।

অনুষ্ঠানত অংশ লৈ ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে ৪৫টা সুৰংগ আৰু ৫৫খন বৃহৎ দলঙেৰে **বেইৰবী-চাইৰাং** ৰে'লপথৰ নিৰ্মাণ কাৰ্য অত্যন্ত প্ৰত্যাহ্বানমূলক আছিল। তেওঁ কয় যে এই ৰে'লপথে এতিয়া মিজোৰামক-গুৱাহাটী, কলকাতা, দিল্লীকে ধৰি দেশৰ গুৰুত্বপূৰ্ণ স্থানসমূহৰ সৈতে সংযোজিত কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মিজোৰামত লাংলায়-চিয়াহা পথত ছিমতুইপুই নদীৰ ওপৰত নিৰ্মাণ কৰা দলঙৰো আধাৰশিলা স্থাপন কৰে।

আইজলৰ পৰা প্ৰধানমন্ত্ৰী মোদী মণিপুৰলৈ যায়। তেওঁ চুড়াচান্দপুৰ জিলাৰ পিচ গ্ৰাউণ্ডত এখন জনসভাত অংশ লৈ মণিপুৰৰ জনসাধাৰণক শান্তিৰ হকে কাম কৰিবলৈ আৰু যুৱ প্ৰজন্মৰ বাবে কল্যান আৰু প্ৰগতিৰ বাট মুকলি কৰিবলৈ আহ্বান জনায়। শ্ৰীমোদীয়ে তেওঁৰ ভাষণত কয়, যে মণিপুৰ হৈছে আশা আৰু বিকাশৰ ভূমি, কিন্তু গোষ্ঠীগত সংঘৰ্যই ৰাজ্যখনক জুৰুলা কৰিছে। প্ৰধানমন্ত্ৰীয়ে ইয়াৰ পূৰ্বে ইম্ফলত ৭ হাজাৰ ৩ শ কোটি টকা ব্যয়সাপেক্ষে ১৪ টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে চুড়াচান্দপুৰত গোষ্ঠী সংঘৰ্যত গৃহহাৰা হোৱা একাংশ লোকক সাক্ষাৎ কৰে। বহুকেইগৰাকী শিশু আৰু অন্যান্য লোকে তেওঁক ফুলৰ টোৰা আদিৰে আদৰণি জনোৱাৰ লগতে এগৰাকী কনমানিয়ে নিজে অংকন কৰা প্ৰধানমন্ত্ৰীৰ প্ৰতি চছবি উপহাৰ দিয়ে। প্ৰধানমন্ত্ৰীয়ে আজি ইম্ফলতো এখন জনসভাত অংশগ্ৰহণ কৰে।

০০০০০০

দেশৰ অন্যান্য ঠাইৰ লগতে ৰাজ্যতো আজি লোক আদালত অনুষ্ঠিত হয়। হাটশিঙিমাৰী জিলা আদালতৰ চৌহদত অনুষ্ঠিত লোক আদালতৰ জৰিয়তে বিভিন্ন বেংক, বিদ্যুৎ বিভাগৰ ২৭৫টা গোচৰ নিষ্পত্তি কৰা হয়। জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত আয়োজিত এই লোক আদালতত বিভিন্ন গোচৰ নিষ্পত্তিৰ জৰিয়তে ৯০ লাখ ৮০ হাজাৰ টকা সংগ্ৰহ কৰা হৈছে।

০০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃ ঃঃ ঃঃ ঃঃ ঃঃ